3 (Sem–6/CBCS) ASM SE

# 2024

## ASSAMESE

### ( Skill Enhancement Course )

Paper : ASM–SE–6014

**( Asamiya Akhar Jotani )**

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×৪=৪

(ক) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন কেইটা?

(খ) অসমীয়া বৰ্ণমালাৰ পশ্চতালব্য অঘোষ ধ্বনি এটি লিখা।

(গ) স্বৰধ্বনি কাক বোলে?

(ঘ) চন্দ্ৰবিন্দুৰ এটা প্ৰয়োগবিধি উল্লেখ কৰা।

২। চমুকৈ উত্তৰ দিয়া : ২×৩=৬

(ক) অনুবাদ আৰু লিপ্যন্তৰকৰণৰ এটা পাৰ্থক্য লিখা।

(খ) সংযুক্ত বৰ্ণ কাক বোলে?

(গ) অসমীয়া ভাষাত দ্বিস্বৰকেইটা কি কি?

৩। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×২=১০

(ক) যতিচিহ্ন ব্যৱহাৰৰ আৱশ্যকতাৰ কাৰণ তিনিটা বৰ্ণনা কৰা।

(খ) যুক্তাক্ষৰ সৰলীকৰণ কৰিব পাৰিনে? যুক্তাক্ষৰৰ সৰলীকৰণৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰা।

(গ) অসমীয়া ভাষাৰ বানান পদ্ধতিত সৃষ্টি হোৱা সমস্যাৰ কাৰণ তিনিটা উল্লেখ কৰি তাৰ সমাধানৰ উপায় উল্লেখ কৰা।

(ঘ) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? স্বৰধ্বনি বুজাবলৈ অসমীয়া বৰ্ণমালাৰ কোনকেইটা আখৰ ব্যৱহাৰ কৰা হয়?

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) অসমীয়া ভাষাৰ প্ৰচলিত বানান পদ্ধতিটোক শুদ্ধ বুলি ক'ব পাৰিনে? অসমীয়া বানান পদ্ধতিক অধিক বিজ্ঞানসন্মত কৰিবলৈ কেনেধৰণৰ সংস্কাৰৰ প্ৰয়োজন, আলোচনা কৰা।

(খ) বিভক্তি আৰু প্ৰত্যয়ৰ মাজৰ মৌলিক পাৰ্থক্য উল্লেখ কৰি এই দুবিধৰ প্ৰয়োগত ক'ত ক'ত ভুল হোৱাৰ সম্ভাৱনা থাকে, দেখুৱাই দিয়া।

(গ) অসমীয়া ভাষাত সততে হোৱা বৰ্ণাশুদ্ধিৰ কাৰণবোৰ চমুকৈ আলোচনা কৰা।

(ঘ) লিপ্যন্তৰকৰণ মানে কি? লিপ্যন্তৰকৰণৰ সমস্যা সম্বন্ধে এটি টোকা লিখা।

(ঙ) সংযুক্ত ব্যঞ্জনবৰ্ণৰ আসোঁৱাহ সম্পৰ্কে ব্যাখ্যা কৰা।

(চ) নিম্নোল্লিখিত সমোচ্চাৰিত শব্দসমূহৰ অৰ্থ লিখা :

জোৰ—যোৰ ; চাপ—ছাপ ; শয্যা—সজ্জা ; পোণ—পোন ; চাট—ছাট।

★★★